# PAPER-II
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ____________________________
   (Name) ____________________________
2. (Signature) ____________________________
   (Name) ____________________________

OMR Sheet No. : ..............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.____________________________________
(In words)

**J 3 6 1 1**

Time : **1 1/4** hours] [Maximum Marks : **100**

Number of Pages in this Booklet : **12** | Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.
   **Example :** (A) (B) ● (D)
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **Answer Sheet given inside the Paper I Booklet only.** If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the Answer Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means, you will render yourself liable to disqualification.
9. You have to return the test question booklet and OMR Answer sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण** : (A) (B) ● (D)
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये उत्तर-पत्रक पर ही** अंकित करने हैं । यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप उत्तर-पुस्तिका पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं OMR उत्तर-पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई अंक काटे नहीं जाएँगे ।**

## ASSAMESE

## অসমীয়া

## Paper – II

## প্ৰশ্নকাকত– II

**Note :** This paper contains **fifty (50)** objective type questions, each question carrying **two (02)** marks. Attempt **all** the questions.

**টোকা** : এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(50) (পঞ্চাছ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **(2) দুই** । **সকলো** প্ৰশ্নৰ উত্তৰ কৰিবা ।

তলৰ 1ৰ পৰা **20** লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A, B, C, D চাৰিটা বিকল্পীয় উত্তৰ দিয়া হৈছে । তাৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।

**1.** অসমীয়া ভাষাৰ মূল হ'ল
(A) শৌৰসেনী প্ৰাকৃত
(B) প্ৰাচ্য মাগধী
(C) অপভ্ৰংশ ভাষা
(D) আৰ্যভিন্ন ভাষাৰ সংমিশ্ৰণ

**2.** মান্য অসমীয়া ভাষাৰ উচ্চাৰণত শব্দত শ্বাসাঘাত পৰে
(A) আদি অক্ষৰত
(B) মধ্য অক্ষৰত
(C) উপধা অক্ষৰত
(D) অন্ত্য অক্ষৰত

**3.** অসমীয়া ভাষাৰ স্বাৰ্থিক প্ৰত্যয় কেইটামান হ'ল
(A) ডাল, ডালি, খন, খনি
(B) চোন, দেই, দেইবা
(C) বোৰ, বিলাক, গণ
(D) অন, অতি, উৱা

**4.** সংস্কৃত ভাষাৰ দন্ত্য আৰু মূৰ্ধন্য ধ্বনিবোৰ অসমীয়া ভাষাত দন্তমূলীয় হোৱাৰ কাৰণ
(A) চীন-তিব্বতীয় ভাষাৰ প্ৰভাব
(B) ভাৰতীয় আৰ্য ভাষাৰ প্ৰভাব
(C) দ্ৰাবিড় ভাষাৰ প্ৰভাব
(D) অষ্ট্ৰিক ভাষাৰ প্ৰভাব

**5.** An introduction to Assamese Phonology নামৰ গ্ৰন্থখনৰ লেখকৰ নাম -
(A) ড. বানীকান্ত কাকতি
(B) উপেন লেখাৰু
(C) ড. উপেন্দ্ৰনাথ গোস্বামী
(D) ড. গোলোকচন্দ্ৰ গোস্বামী

**6.** মিচিং সকলৰ খেতি চপোৱা উৎসৱটোৰ নাম :
(A) দবুৰ
(B) আলি-আয়ে লৃগাং
(C) মপিন
(D) প:ৰাগ

7. তলত দিয়া কোনটো উৎসৱ বড়োসকলৰ
(A) ভঠেলি
(B) খেৰাই
(C) মুৰাতছু
(D) পয়কাথিন

8. দেউৰীসকলৰ উপাস্যদেৱতা হ'ল
(A) গিৰাগিৰাচি
(B) বাইথো
(C) চে:দি মে:লো
(D) দ:গ্রি প:লো

9. দীপান্বিতাৰ লগত সঙ্গতি ৰাখি অসমৰ চাহজনগোষ্ঠীৰ লোকসকলে পালন কৰা উৎসৱ হ'ল
(A) কৰম পূজা
(B) তুচু পূজা
(C) চঁহৰাই পৰব
(D) ভাইফোঁটা

10. ৰামাই পন্ডিতৰ 'শূন্যপুৰাণ' কোন দেৱতাৰ পুজাৰ পুথি
(A) সূৰ্য
(B) শিৱ
(C) ধৰ্ম
(D) ব্ৰহ্মা

11. ৰাতিখোৱা নামৰ গুপ্ত সম্প্রদায়ৰ সেৱাৰ গীতবোৰক বোলা হয় :
(A) দুলড়ী গীত
(B) চিয়াঁ গীত
(C) জাৰি গীত
(D) সেৱাৰ গীত

12. ভাৰতবৰ্ষত 'বিশ্বসাহিত্য'শিৰোনামেৰে প্ৰথমটো বক্তৃতা প্ৰদান কৰা ব্যক্তিজন হ'ল -
(A) সৰ্বপল্লী ৰাধাকৃষ্ণন
(B) ৰবীন্দ্ৰনাথ ঠাকুৰ
(C) সৰোজিনী নাইডু
(D) শ্ৰীঅৰবিন্দ

13. তলৰ কোনখন পুথি মাধৱদেৱে ৰচনা কৰা নহয় :
(A) জন্ম-ৰহস্য
(B) ৰাজসূয়
(C) নাম-মালিকা
(D) ভক্তি-প্ৰদীপ

14. তুলনামূলক সাহিত্যৰ তত্ত্ব সম্পৰ্কীয় প্ৰথমখন গ্ৰন্থ ৰচনা কৰোঁতাজন আছিল
(A) মেথিউ আৰ্নল্ড
(B) গ্যেটে
(C) জৰ্জ চেইন্টবেৰী
(D) পচনেট

15. জোনবিল মেলা কোনটো জনগোষ্ঠীৰ লগত জড়িত ?

(A) কাৰ্বি
(B) মিচিং
(C) তিৱা
(D) বড়ো

16. তলৰ অলঙ্কাৰ কেইটাৰ ভিতৰত অৰ্থালঙ্কাৰৰ উদাহৰণ

(i) দীপক
(ii) যমক
(iii) শ্লেষ
(iv) বিষম

(A) (i) আৰু (iii)
(B) (ii) আৰু (iv)
(C) (i) আৰু (iv)
(D) (iii) আৰু (iv)

17. 'সৰস্বতী' সন্মান আগবঢ়োৱা গ্ৰন্থখনৰ নাম -

(A) ইয়াৰুইঙ্গম
(B) কায়াকল্প
(C) দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা
(D) অন্তৰীপ

18. তলৰ কোনখন গীতৰ পুথিৰ ৰচক ড. ভূপেন হাজৰিকা

(A) গীতি শতদল
(B) বহ্নিমান ব্ৰহ্মপুত্ৰ
(C) সুৰবানী
(D) অঘৰী ককাইদেউৰ গীত

19. 'আসাম বিলাসিনী' কাকতৰ প্ৰকাশপোৱা চনটো হ'ল -

(A) ১৮৭০
(B) ১৮৭১
(C) ১৮৭২
(D) ১৮৭৪

20. 'অসম উপত্যকা' সাহিত্যবঁটা লাভ কৰোঁতা দুজন লেখক হ'ল :

(i) নৰকান্ত বৰুৱা
(ii) ড. ভুপেন হাজৰিকা
(iii) শীলভদ্ৰ
(iv) ড. মহেন্দ্ৰ বৰা

(A) (i) আৰু (iii)
(B) (ii) আৰু (iv)
(C) (i) আৰু (iv)
(D) (iii) আৰু (iv)

21. "মাতৃতন্ত্ৰ প্ৰধান তিব্বত-বৰ্মী সমাজত পূৰ্বে দেওধনীয়েই পূজাৰ পুৰোহিত আছিল । আৰ্যধৰ্ম প্ৰচাৰৰ লগে লগে দেওধনী মন্দিৰৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাই দেৱদাসীত পৰিণত হ'ল ।"

(A) তিব্বতবৰ্মী সকল কেবল দেবীপূজক আৰু তেওঁলোকৰ পুৰোহিত সদায় নাৰী ।
(B) মাতৃতান্ত্ৰিক সমাজত নাৰীয়েই সৰ্বেসৰ্বা । আনকি পূজাতো পুৰুষৰ স্থান নাই ।
(C) মাতৃতান্ত্ৰিক সমাজত দেওধনীয়ে পুৰোহিতৰ ভূমিকা পালন কৰিছিল । আৰ্য ধৰ্ম প্ৰচাৰৰ ফলত পূজাৰ মূল ব্যক্তিৰ ভূমিকাৰ পৰা দেওধনী বিতাৰিত হৈ দেৱদাসীত পৰিণত হ'ল ।
(D) মন্দিৰত দেৱদাসীয়ে দ্বৈত ভূমিকা পালন কৰে । তেওঁ একাধাৰে পুৰোহিত আৰু দেৱতাৰ মনোৰঞ্জনকাৰী নৃত্যপটিয়সী দেৱদাসী ।

22. 'দৰাচলতে কবিতা সংগীত আৰু চিত্ৰকলাৰ দোমোজাৰ বস্তু' । কিথনো

(A) কবিয়ে যি শব্দ প্ৰয়োগ কৰে, সেই শব্দবোৰে শ্ৰোতাৰ হৃদয়ত সিহতঁৰ কাব্যিক অৰ্থ সম্পূৰ্ণ ৰূপত সঞ্চাৰ কৰি দিয়ে ।

(B) কবিতা সঙ্গিতৰ লহমাৰ দৰে ।

(C) কবিতাই চিত্ৰকলাৰ ৰেখাচিত্ৰৰ দৰেই পাঠকৰ হৃদয়ত ৰেখাপাত কৰে ।

(D) কবিতা সঙ্গীত আৰু চিত্ৰকলাৰ যুগপৎ প্ৰকাশ ।

23. 'শত বৰষৰ ধুলিত হেৰোৱা
জীৱন কুসুমে মেলিব পাছি' –

(A) উপৰি-উক্ত কবিতাফাঁকিত উপমেয়ৰ ওপৰত উপমানক আৰোপ কৰা হৈছে, সেয়েহে এই ফাঁকি ৰূপক অলঙ্কাৰৰ উদাহৰণ ।

(B) কবিতাফাঁকিত স্পষ্ট আৰু বৈচিত্ৰ্যমূলক সাদৃস্য দেখুওৱা হৈছে সেয়েহে ইয়াক উপমা অলঙ্কাৰৰ উদাহৰণ বুলিব পাৰি ।

(C) কবিতাফাঁকিত এটা উপমেয়ৰ লগত কেবাটাও উপমানৰ সম্বন্ধ ঘটোৱা হৈছে । সেয়েহে এই ফাঁকি মালোপমাৰ উদাহৰণ ।

(D) কবিতাফাঁকিত উপমেয় আৰু উপমানৰ একে ৰূপৰ কল্পনা কৰা হৈছে, সেয়ে এই ফাঁকি উৎপ্ৰেক্ষাৰ উদাহৰণ ।

24. কোনো এখন গ্ৰন্থৰ পৰা শব্দ সংগ্ৰহ কৰি শব্দাৰ্থৰ গ্ৰন্থ প্ৰস্তুত কৰিব পাৰি কিন্তু সেই শব্দবোৰত ব্যৱহাৰ হোৱা আখৰ লৈ 'বৰ্ণ' বিশ্লেষণ পদ্ধতিৰে বিশিষ্ট ধ্বনি নিৰ্ণয় কৰিব নোৱাৰি - কিয়নো

(A) সেইখন এখন ছপা পুথিহে হাতেলিখা পাণ্ডুলিপি নহয় ।

(B) তাত ভাষাটোৰ কথিত ৰূপ পোৱা নাযায় আৰু ইয়াৰ লগত ধ্বনিৰ সমকালীন শ্ৰুয়মান গুণ সংলগ্ন হৈ নাথাকে ।

(C) সেইখন, সাঁচিপতীয়া পুথিহে তাৰ ছপাৰূপ নাই ।

(D) সেইখন পুৰনি পুথি আৰু অস্পষ্ট পঢ়িব নোৱাৰাবিধৰ ।

25. তেওঁ ঘৰলৈ গ'ল । এই বাক্যটোত 'ঘৰলৈ' পদৰ 'ঘৰ' মুক্ত প্ৰাকৃতি আৰু-লৈ যুক্ত প্ৰাকৃতি, কিয়নো -

(A) ঘৰ এটা শব্দ আৰু – লৈ এটা স্বাৰ্থিক প্ৰত্যয় ।

(B) ঘৰ শব্দৰ নিজা অৰ্থ আছে কিন্তু – লৈৰ নিজা অৰ্থ নাই, কোনো শব্দৰ লগত যোগ হলেহে ইয়াৰ অৰ্থ পোৱা যায় ।

(C) 'ঘৰ' এটা বিশেষ্য শব্দ আৰু – লৈ চতুৰ্থী বিভক্তিহে ।

(D) 'ঘৰ' শব্দৰ উচ্চাৰণ বদ্ধ আৰু-লৈৰ উচ্চাৰণ মুক্ত ।

তলৰ **26**ৰ পৰা **35** লৈ দিয়া প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা চাৰিওটা বিষয়ক সিহঁতৰ লগত জড়িত বিশেষ এটা গুৰুত্বপূৰ্ণ চনৰ কথা মনত ৰাখি শুদ্ধ ক্ৰমত পুনৰ তালিকাবদ্ধ কৰি A, B, C, D এই চাৰিটা বিকল্প সমাধান দিয়া দিছে । তাৰ মাজৰ পৰা-শুদ্ধ ক্ৰমটো চিহ্নিত কৰা ।

**26.** (i) শৰৎ চন্দ্ৰ গোস্বামী
(ii) ৰজনীকান্ত বৰদলৈ
(iii) সত্যনাথ বৰা
(iv) বানীকান্ত কাকতি
(A) (ii) (i) (iii) (iv)
(B) (iii) (ii) (i) (iv)
(C) (iv) (ii) (iii) (i)
(D) (i) (ii) (iv) (iii)

**27.** (i) আসাম নিউচ
(ii) মৌ
(iii) ল'ৰাবন্ধু
(iv) আসাম বিলাসিনী
(A) (iv) (ii) (i) (iii)
(B) (i) (ii) (iii) (iv)
(C) (iii) (ii) (iv) (i)
(D) (ii) (i) (iii) (iv)

**28.** (i) ৰহদৈ লিগিৰী
(ii) পদুম কুঁৱৰী
(iii) লাহৰী
(iv) সাধনা
(A) (i) (ii) (iii) (iv)
(B) (ii) (iv) (iii) (i)
(C) (iii) (ii) (i) (iv)
(D) (ii) (iii) (iv) (i)

**29.** (i) অসমীয়া সাহিত্যৰ ইতিবৃত্ত
(ii) অসমীয়া সাহিত্যৰ অধ্যয়ন
(iii) আধুনিক অসমীয়া সাহিত্য
(iv) সাহিত্য সমীক্ষা
(A) (i) (iv) (ii) (iii)
(B) (ii) (iv) (iii) (i)
(C) (iii) (ii) (iv) (i)
(D) (iv) (i) (ii) (iii)

**30.** (i) A Descriptive Analysis of the Bodo Language
(ii) Assamese, Its formation and Development
(iii) Structure of Assamese
(iv) Kamrupi, A dialect of Assamese
(A) (ii) (iii) (iv) (i)
(B) (ii) (iv) (iii) (i)
(C) (ii) (iv) (i) (iii)
(D) (i) (ii) (iii) (iv)

**31.** (i) সন্ধিয়াৰ সুৰ
(ii) অলকানন্দা
(iii) সপোনৰ সুৰ
(iv) পৰশমণি
(A) (i) (iv) (ii) (iii)
(B) (i) (iii) (iv) (ii)
(C) (ii) (iv) (i) (iii)
(D) (iv) (i) (ii) (iii)

**32.** (i) জাৰীগীত

(ii) বৰগীত

(iii) চৰ্য্যাগীত

(iv) বনগীত

(A) (ii) (i) (iii) (iv)

(B) (iii) (iv) (ii) (i)

(C) (iv) (i) (ii) (iii)

(D) (iii) (ii) (i) (iv)

**33.** (i) ৰাম বিজয়

(ii) পত্নী প্ৰসাদ

(iii) হৰিশ্চন্দ্ৰ উপাখ্যান

(iv) অনাদি পাতন

(A) (i) (iv) (iii) (ii)

(B) (iii) (ii) (iv) (i)

(C) (i) (iv) (ii) (iii)

(D) (iii) (ii) (iv) (i)

**34.** (i) আজলী নবৌ

(ii) পূবেৰুণ

(iii) ড. বেজবৰুৱা

(iv) প্ৰতিধ্বনি

(A) (ii) (iv) (iii) (i)

(B) (iv) (i) (ii) (iii)

(C) (i) (iii) (iv) (ii)

(D) (iv) (ii) (iii) (i)

**35.** (i) নীলাম্বৰ

(ii) সীতাহৰণ

(iii) মেঘনাদ বধ

(iv) বন্দিনী ভাৰতমাতা

(A) (i) (iv) (ii) (iii)

(B) (iii) (iv) (ii) (i)

(C) (ii) (i) (iv) (iii)

(D) (ii) (iii) (iv) (i)

তলৰ 36ৰ পৰা 45 লৈ দিয়া প্ৰশ্নসমূহত 'ক' স্তম্ভত থকা বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহক মিলাই A, B, C, D এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰে পৰাই শুদ্ধ উত্তৰটো চিহ্নিত কৰা ।

**36.**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| (i) | মায়াব | 1. | কাৰেঙৰ লিগিৰী |
| (ii) | গোলাপ | 2. | শোনিত কুঁৱৰী |
| (iii) | বপুৰা | 3. | লভিতা |
| (iv) | অনিৰুদ্ধ | 4. | ৰূপালীম |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 1 | 4 | 3 | 2 |
| (B) | 2 | 1 | 3 | 4 |
| (C) | 4 | 3 | 1 | 2 |
| (D) | 4 | 1 | 3 | 2 |

**37.**

| | 'ক' স্তম্ভ | | 'খ' স্তম্ভ |
|---|---|---|---|
| (i) | ৰবিন্সন ক্ৰুছ | 1. | হাৰুনাৰ ৰছিদ |
| (ii) | ৰত্নদ্বীপ | 2. | মহেন্দ্ৰ বৰা |
| (iii) | নীলা চৰাই | 3. | বেনুধৰ শৰ্মা |
| (iv) | পিনকিঅ | 4. | অতুল চন্দ্ৰ হাজৰিকা |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 3 | 1 | 4 | 2 |
| (B) | 1 | 3 | 2 | 4 |
| (C) | 2 | 4 | 3 | 1 |
| (D) | 4 | 3 | 2 | 1 |

38. 'ক' স্তম্ভ 'খ' স্তম্ভ

| | | | |
|---|---|---|---|
| (i) | মোপাচা | 1. | নাটক |
| (ii) | ষ্ট্রিণ্ডবার্গ | 2. | বিজ্ঞান সাহিত্য |
| (iii) | জুলে ভার্ণে | 3. | চুটি গল্প |
| (iv) | ব্রেডলী | 4. | সমালোচনা সাহিত্য |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 1 | 3 | 4 | 2 |
| (B) | 2 | 4 | 3 | 1 |
| (C) | 1 | 4 | 2 | 3 |
| (D) | 3 | 1 | 2 | 4 |

39. 'ক' স্তম্ভ 'খ' স্তম্ভ

| | | | |
|---|---|---|---|
| (i) | ৰঙা কৰবীৰ ফুল | 1. | অমলেন্দু গুহ |
| (ii) | মাজত মাথোন হিমালয় | 2. | নগেন শইকীয়া |
| (iii) | মহাচীনৰ দিনলিপি | 3. | হেম বৰুৱা |
| (iv) | আফগানিস্তানত এভুমুকি | 4. | চৈয়দ আব্দুল মালিক |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 3 | 4 | 2 | 1 |
| (B) | 1 | 4 | 3 | 2 |
| (C) | 2 | 1 | 3 | 4 |
| (D) | 4 | 3 | 2 | 1 |

40. 'ক' স্তম্ভ 'খ' স্তম্ভ

| | | | |
|---|---|---|---|
| (i) | মোহদানন্দ কন্দ পৰমানন্দ নন্দ নন্দন বনচাৰী | 1. | উৎপ্রেক্ষা |
| (ii) | অশ্রুৰ নিজৰা সহবেদনাৰ অমৃত অমৃত দলিতা ধৰাৰ | 2. | অনুপ্রাস |
| (iii) | পৰ্বতীয়া জুৰিটিৰ জিৰজিৰ নিত শুনো যেন বিননিৰ সুৰ | 3. | ঝুনা |
| (iv) | হাসিয়া হাসিয়া ৰাধিকা ৰানী কৃষ্ণক বোলন্ত মধুৰ বাণী | 4. | যমক |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 3 | 4 | 1 | 2 |
| (B) | 2 | 1 | 3 | 4 |
| (C) | 2 | 4 | 1 | 3 |
| (D) | 1 | 2 | 4 | 3 |

41. 'ক' স্তম্ভ 'খ' স্তম্ভ

| | | | |
|---|---|---|---|
| (i) | জয়দেৱ | 1. | শিশুপাল বধ |
| (ii) | বিল্বমংগল | 2. | সেতুবন্ধ |
| (iii) | মাঘ | 3. | কৃষ্ণকৰ্ণামৃত |
| (iv) | প্রবৰসেন | 4. | গীতগোবিন্দ |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 4 | 3 | 1 | 2 |
| (B) | 2 | 1 | 4 | 3 |
| (C) | 3 | 2 | 4 | 1 |
| (D) | 1 | 4 | 3 | 2 |

42. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|
| (i) চেনাই মই যাওঁ দেই | 1. | নির্মল প্ৰভা বৰদলৈ |
| (ii) বহুদিন বকুলৰ গোন্ধ পোৱা নাই | 2. | নৱকান্ত বৰুৱা |
| (iii) ৰহিমলা ওৰণিৰ ফাকেৰে | 3. | তফজ্জুল আলি |
| (iv) সৌ কাজল কাজল মেঘ | 4. | কমল হাজৰিকা |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 4 | 3 | 2 | 1 |
| (B) | 3 | 4 | 1 | 2 |
| (C) | 2 | 3 | 4 | 1 |
| (D) | 1 | 2 | 4 | 1 |

43. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|
| (i) Studies in Sino Tibetan Language | 1. | কালিৰাম মেধি |
| (ii) An Introduction to Assamese Phonology | 2. | উইলিয়াম ৰবিন্সন |
| (iii) A Grammar of the Assamese Language | 3. | সত্যেন্দ্ৰনাৰায়ণ গোস্বামী |
| (iv) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব | 4. | গোলোকচন্দ্ৰ গোস্বামী |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 1 | 4 | 3 | 2 |
| (B) | 2 | 1 | 3 | 4 |
| (C) | 3 | 4 | 2 | 1 |
| (D) | 4 | 3 | 1 | 2 |

44. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|
| (i) অতীতক নাথাবা পাহৰি | 1. | হৰি বৰকাকতী |
| (ii) নাটঘৰ | 2. | যতীন্দ্ৰনাথ দুৱৰা |
| (iii) জাৰৰ দিনৰ সপোন | 3. | নলিনীবালা দেৱী |
| (iv) ইয়াৰ পৰাই পানী | 4. | নীলমণি ফুকন |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 1 | 4 | 2 | 3 |
| (B) | 2 | 3 | 1 | 4 |
| (C) | 2 | 3 | 1 | 4 |
| (D) | 4 | 3 | 2 | 1 |

45. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| ‘ক’ স্তম্ভ | | ‘খ’ স্তম্ভ |
|---|---|---|
| (i) নেপূৰ | 1. | ডিঙি |
| (ii) উঝন্টি | 2. | কপাল |
| (iii) চিতি-পাতি | 3. | ভৰি |
| (iv) গলপতা | 4. | ভৰিৰ আঙুলি |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 4 | 2 | 1 | 3 |
| (B) | 3 | 4 | 2 | 1 |
| (C) | 1 | 3 | 4 | 2 |
| (D) | 2 | 1 | 3 | 4 |

তলত এটি অনুচ্ছেদ দিয়া হৈছে । এই অনুচ্ছেদটোত বৰ্ণিত বিষয়ৰ সম্পৰ্কে তলত 46ৰ পৰা 50 লৈ পাঁচটা মন্তব্য আগবঢ়োৱা হৈছে আৰু এই মন্তব্য সমূহৰ কাৰ্য-কাৰণ ব্যাখ্যাৰ ভিত্তিত চাৰিটাকৈ বিকল্পধৰ্মী উত্তৰ A, B, C, D দিয়া হৈছে ।

এইকেইটাৰ মাজৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই চিহ্নিত কৰা ।

আহোমসকলে মৰ্য্যাদাসূচক যিবোৰ পদবী সৃষ্টি কৰি গ'ল, সেইবোৰেই অসমীয়া মানুহক আজিও অন্য প্ৰান্তৰ মানুহৰপৰা পৃথককৈ ৰাখিছে বিষয় বাব নাই যদিও অসমীয়া মানুহে বৰ-গোহাঁই, বুঢ়া-গোহাঁই, বৰপাত্ৰ-গোঁহাই, বৰবৰুবা, বৰফুকন, বৰবৰা, বৰকাকতী, বৰদলৈ, ফুকন, তামুলী ফুকন, গগৈ, বৰুৱা, হাজৰিকা, শইকীয়া, ৰাজখোৱা, কাকতী, কটকী, নেওগ আদি পদ আজিও সগৌৰৱে ধাৰণ কৰি আছে ।

দেশৰ সাংস্কৃতিক জীৱনত অভিজাত সম্প্ৰদায়ৰ দান নিচেই কম নাছিল । ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাতে দেশৰ সাহিত্য আৰু বিবিধ চাৰু-শিল্পৰ উৎকৰ্ষ সাধন হয় । অভিজাত সম্প্ৰদায়ৰ উন্নত ধৰণৰ আহাৰ-বিহাৰ, চলন-ফুৰণ আৰু সাজ-পোছাকৰ হেতু দেশৰ ৰুচিবোধৰ বিকাশ ঘটিছিল । তদুপৰি প্ৰত্যেক উৰ্দ্ধ বিষয়াই লৰা-ছোৱালীৰ শিক্ষাৰ নিমিত্তে ব্ৰাহ্মণ পণ্ডিত অথবা দেওধাই বাইলুং ৰখাইছিল; কাব্য ৰচনা কৰিবলৈ কবি, চিত্ৰাঙ্কনৰ কাৰণে চিত্ৰকৰক ভৰণ-পোষণ দিছিল । প্ৰায় উচ্চ বিষয়াৰ ঘৰত পুথি-পাঁজিৰ ভঁড়াল আছিল । এওঁলোকৰ সহায় আৰু চেষ্টাত বিৰাট বুৰঞ্জী-সাহিত্যসমুহ সঙ্কলন কৰা হৈছিল । এই শ্ৰেণীৰ সাহিত্য ভাৰতত একক আৰু অতুলনীয় । আহোম স্বৰ্গদেৱ আৰু ডাঙৰীয়াসকলৰ সহায়ত বিভিন্ন আয়ুবেৰ্বদ আৰু জোতিষ শাস্ত্ৰ, যৌনতত্ব সম্বন্ধীয় পুথি, দৰ্শন শাস্ত্ৰ, বিবিধ জ্ঞান-বিজ্ঞানৰ পুথি, পদ গীত-নাটক ৰচিত হৈছিল । কেৱল মানুহৰ সম্বন্ধেই আয়ুৰ্বেদ শাস্ত্ৰ ৰচনা হোৱা নাছিল; হাতী-ঘোঁৰা আদি চিকিৎসা বিষয়ৰো নিদান ৰচিত হৈছিল । আহোম স্বৰ্গদেৱ আৰু ডা-ডাঙৰীয়াসকলে সকলো কাৰ্য্যৰ প্ৰাৰম্ভতে দৈৱজ্ঞ বা জ্যোতিষীসকলৰ সহায় লৈছিল; তেওঁলোকৰ জন্ম-মৃত্যু, দশাফল আদি গণনা কৰিছিল । সময় ক্ষণ গণনা কৰিবলৈ দৈৱজ্ঞক যুদ্ধক্ষেত্ৰলৈকো সেনাবাহিনীৰ লগত পঠোৱা হৈছিল । এইবোৰৰ হেতু দেশত জ্যোতিষৰ বহুল চৰ্চা হৈছিল আৰু জ্যোতিষীসকলৰ আদৰ বাঢ়িছিল ।

**46.** আহোমসকলে মৰ্যাদাসূচক পদবীৰ সৃষ্টি কৰাৰ ফলত -

(A) পদবীৰ মৰ্যাদা সূচিত হৈছিল ।

(B) অসমীয়া মানুহ অন্য প্ৰান্তৰ মানুহৰ পৰা পৃথক হিচাপে চিহ্নিত হৈছিল ।

(C) দেশ শাসন কৰিবৰ বাবে সুবিধা হৈছিল ।

(D) বিভিন্ন পদবীৰে সগৌৰৱে বৰ্তি থকা সম্ভৱপৰ হৈছিল ।

47. দেশৰ সাংস্কৃতিক জীৱনত অভিজাত সম্প্ৰদায়ৰ দান যথেষ্ট আছিল । কাৰণ -

(A) অভিজাত শ্ৰেণীটো সুসংস্কৃত আছিল ।

(B) তেওঁলোকে মানুহক ৰুচিবান হ'বলৈ শিকাইছিল ।

(C) তেওঁলোকৰ পৃষ্ঠপোষকতাত দেশৰ সাহিত্য আৰু বিবিধ চাৰুশিল্পৰ উৎকৰ্ষ সাধন হৈছিল ।

(D) তেওঁলোকে জাতীয় সংস্কৃতিক সম্মান জনাইছিল ।

48. বুৰঞ্জীসাহিত্য ভাৰতত একক আৰু অতুলনীয়, কাৰণ

(A) এই শ্ৰেণীৰ সাহিত্য হ'ল সাৰ্বজনীন সাহিত্য

(B) বুৰঞ্জীসাহিত্য সেইসময়ত ভাৰতবৰ্ষৰ আন ক'তো ৰচিত হোৱা নাছিল ।

(C) বুৰঞ্জী সাহিত্য আহোমসকলে ৰচনা কৰিছিল ।

(D) সেইসময়ত এই শ্ৰেণীৰ সাহিত্যক চেৰ পেলাব পৰা কোনো সাহিত্য ৰচিত হোৱা নাছিল ।

49. কেৱল মানুহৰ সম্বন্ধেই আয়ুৰ্বেদ শাস্ত্ৰ ৰচনা হোৱা নাছিল; হাতী-ঘোঁৰা আদি চিকিৎসা বিষয়ৰো নিদান ৰচিত হৈছিল ; কাৰণ -

(A) আহোম স্বৰ্গদেৱসকল বৰ বিদ্যোৎসাহী লোক আছিল ।

(B) আহোম স্বৰ্গদেৱ সকল শাস্ত্ৰজ্ঞ পণ্ডিত আছিল ।

(C) আহোম স্বৰ্গদেৱ আৰু ডাঙৰীয়া সকলৰ সহায়ত বিভিন্ন জ্যোতিষ, দৰ্শন, শাস্ত্ৰকে আদি কৰি বিভিন্ন পুথি ৰচিত হৈছিল ।

(D) আহোম স্বৰ্গদেৱসকলে মানুহ আৰু জন্তুক সমানে ভাল পাইছিল ।

50. অসম দেশত জ্যোতিষৰ বহুল চৰ্চা হৈছিল আৰু জ্যোতিষীসকলৰ আদৰ বাঢ়িছিল ; কাৰণ -

(A) আহোম স্বৰ্গদেৱ আৰু ডা-ডাঙৰীয়াসকলে কোনো কামৰ আৰম্ভনিতে দৈৱজ্ঞ বা জ্যোতিষীসকলৰ সহায় লৈছিল ।

(B) দৈৱজ্ঞসকলে দেশৰ ভাল বেয়া সময়মতে বিচাৰ কৰিছিল ।

(C) আহোম স্বৰ্গদেৱ সকলে জ্যোতিষীসকলক পৃষ্ঠপোষকতা কৰিছিল ।

(D) আহোম স্বৰ্গদেৱসকলৰ প্ৰতি জ্যোতিষীসকলৰ বৰ শ্ৰদ্ধা আছিল আৰু সকলো কাম যথাসময়ত সম্পন্ন কৰিছিল ।

**Space For Rough Work**